Series G7DEF **SET-4**

Q.P. Code **15**

Roll No. | | | | | | | | |

Candidates must write the Q.P. Code on the title page of the answer-book.

**NOTE** [ ]

*(I) Please check that this question paper contains **15** printed pages.*

*(II) Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.*

*(III) Please check that this question paper contains **20** questions.*

*(IV) Please write down the Serial Number of the question in the answer-book at the given place before attempting it.*

*(V) 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the candidates will read the question paper only and will not write any answer on the answer-book during this period.*

# অসমীয়া

# ASSAMESE

*সময় : 3 ঘণ্টা* *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* *Maximum Marks : 80*

***General Instructions :***

*Question paper is divided into **4** sections.*

*It has total **20** questions.*

***Section A** : 1 Question no. 1 to 1*

***Section B** : 5 Questions no. 2 to 6*

***Section C** : 8 Questions no. 7 to 14*

***Section D** : 6 Questions no. 15 to 20*

*Attempt questions as per specific instructions.*

*Write question no. in answer-book before attempting it.*

*সাধাৰণ নিৰ্দেশনা :*

*প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ চাৰি (৪) ভাগত বিভক্ত ।*

*সৰ্ব্বমুঠ প্ৰশ্নৰ সংখ্যা : ২০*

***শাখা 'ক'** : প্ৰশ্নৰ সংখ্যা ১, প্ৰশ্ন নং ১-১*

***শাখা 'খ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ২-৬*

***শাখা 'গ'** : প্ৰশ্নৰ সংখ্যা ৮, প্ৰশ্ন নং ৭-১৪*

***শাখা 'ঘ'** : প্ৰশ্নৰ সংখ্যা ৬, প্ৰশ্ন নং ১৫-২০*

*পৰীক্ষাৰ্থীসকলে নিৰ্দ্ধাৰিত নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ কৰিব ।*

*উত্তৰ বহীত প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ পূৰ্বে প্ৰশ্ন নং লিখাটো আৱশ্যক ।*

## SECTION A

## (বোধ পৰীক্ষণ) (15 Marks)

1. তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

মানুহৰ জীৱন আন জন্তুৰ জীৱনৰ তুলনাত বহুত বেছি জটিল । এই জটিল জীৱন যাপন কৰিবৰ কাৰণে ভালেমান দিনৰ প্ৰস্তুতিৰ প্ৰয়োজন । এনে প্ৰকৃতিৰ প্ৰয়োজন উপলব্ধি কৰিয়েই মানুহৰ শৈশৱ প্ৰকৃতিয়ে দীঘলীয়া কৰি ৰাখিছে । শৈশৱেই প্ৰকৃতিৰ সময় । জীৱনত চলিবৰ কাৰণে ভালেমান প্ৰয়োজনীয় কথা শিশুক পিতৃ-মাতৃ আৰু পৰিয়ালৰ আন আন ব্যক্তিয়ে শিকায় । গতিকে এখেতসকলেই শিশুৰ জীৱনৰ প্ৰথম আৰু প্ৰধান শিক্ষক । কিন্তু বৰ্তমান আধুনিক জগতত চলিবৰ কাৰণে জ্ঞান আহৰণ কৰিবলগীয়া ইমানবিলাক দিশ আছে যে সেই আটাইবিলাক ঘৰতে পিতৃ-মাতৃয়ে শিকোৱাটো সম্ভৱ নহয় । সেইবাবে সমাজে ল'ৰা-ছোৱালীক প্ৰয়োজনীয় কথা শিকাবৰ কাৰণে কিছুমান বিশেষ অনুষ্ঠান স্থাপন কৰি ইয়াৰ শিক্ষাৰ বাবে কিছুমান নিৰ্দিষ্ট গুণসম্পন্ন ব্যক্তিক দায়িত্ব দিয়াৰ নিয়ম কৰিলে । এই অনুষ্ঠানসমূহেই বিদ্যালয় আৰু ইয়াৰ দায়িত্বত

থকা লোকসকলেই শিক্ষক। প্ৰাচীন কালত জীৱনৰ গতি যেতিয়া নিচেই সহজ-সৰল আছিল তেতিয়া আনুষ্ঠানিক বিদ্যালয়ৰ কোনো প্ৰয়োজনে নাছিল। পৰিয়ালৰ লোক আৰু চুবুৰীয়াৰ পৰা দেখি-শুনি শিকা কথাই জীৱনৰ বাবে যথেষ্ট আছিল। সমাজ যিমানেই জটিলৰ পৰা জটিলতৰ হৈছে শিকিবলগীয়া কথাৰ ভঁৰালো সিমানেই বাঢ়িছে। লগতে বৃদ্ধি পাইছে বিদ্যালয় আৰু শিক্ষকৰ দায়িত্ব।

সংসাৰত কাৰ্যকৰীভাৱে জীৱন কটাবলৈ দৈহিক, মানসিক, আৱেগিক, আধ্যাত্মিক আদি বহুত দিশতে ব্যক্তিয়ে নিজক গঢ়ি তুলিবলগীয়া হয়। শিশুক জীৱনৰ বাবে প্ৰস্তুত কৰাই যিহেতু শিক্ষকৰ কাম, জীৱনৰ এনে কোনো দিশ নাই যি শিক্ষকে এৰাই চলিব পাৰে। সেই কাৰণে এজন শিক্ষকক 'কি পঢ়ায়' বুলি সোধা প্ৰশ্নৰ উত্তৰত বিশেষ এটা বিষয় পঢ়াওঁ বুলি কোৱাতকৈ 'মই ল'ৰা – ছোৱালীক পঢ়াওঁ' বুলি কোৱাটো বেছি অৰ্থপূৰ্ণ।

এইখিনিতেই অৱশ্যে পৌৰাণিক যুগৰ শিক্ষক আৰু আধুনিক যুগৰ শিক্ষকৰ দায়িত্বৰ মাজত যথেষ্ট প্ৰভেদ দেখা যায়। আগৰ কালত পিতৃ-মাতৃৰ পাছতেই শিশুৰ ব্যক্তিত্ব গঠনত প্ৰভাৱ পেলাব পৰা প্ৰধান ব্যক্তিজন আছিল শিক্ষক। বৰ্তমান কালত এখেতসকলৰ উপৰিও আন ভালেমান ব্যক্তি আৰু অনুষ্ঠানে এই দায়িত্ব বহন কৰে। আজিকালি বহুত যন্ত্ৰ ব্যৱহাৰেও শিশুক শিক্ষাদান কৰা দেখা যায়। ইয়াৰ ফলতো শিক্ষকৰ দায়িত্ব হ্ৰাস পাইছে। যন্ত্ৰৰ দ্বাৰা যিমানেই শিক্ষা দান কৰা নাযাওক কিয় ব্যক্তিৰ বিকাশৰ ক্ষেত্ৰত ব্যক্তিৰ প্ৰত্যক্ষ প্ৰভাৱৰ গুৰুত্ব কেতিয়াও কমি নাযায়। কাৰণ মানুহে মানৱীয় গুণসমূহ মানুহৰ পৰাহে শিকিব পাৰে। এইটো ঠিক যে, সময় অতিবাহিত হোৱাৰ লগে লগে বিদ্যালয়ৰ কৰিবলগীয়া কামৰ প্ৰকৃতি সলনি হয়। কৰিবলগা প্ৰতিটো কামৰ প্ৰতি সচেতন হোৱা আৰু সেই দিশসমূহত নিজৰ দক্ষতা বৃদ্ধি কৰিবলৈ কৰা প্ৰচেষ্টাই শিক্ষকৰ প্ৰধান কৰ্তব্য।

**প্ৰশ্ন :** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা –

(i) মানুহৰ জীৱন আন জন্তুৰ তুলনাত – *1*

(A) চুটি

(B) জটিল

(C) আনন্দদায়ক

(D) দুখৰ

(ii) জীৱন-যাপন কৰিবৰ বাবে __________ প্ৰয়োজন। *1*

(A) প্ৰস্তুতিৰ

(B) টকা-পইচাৰ

(C) স্বাস্থ্যৰ

(D) বাহুবলৰ

(iii) ল'ৰা-ছোৱালীক প্ৰয়োজনীয় কথা শিকাবৰ বাবে কিছুমান বিশেষ _________ স্থাপন কৰা দৰকাৰ। *1*

(A) অনুষ্ঠান

(B) ঘৰ-দুৱাৰ

(C) সংঘ

(D) সংগ্ৰহালয়

(iv) শিক্ষকৰ প্ৰধান কাম শিশুক __________ বাবে প্ৰস্তুত কৰা । 1

(A) সমাজৰ

(B) প্ৰবাসৰ

(C) জীৱনৰ

(D) আৱেগিকতাৰ

(v) বিদ্যালয়ৰ দায়িত্বত থকা লোকসকলেই – 1

(A) শিক্ষক

(B) কৰ্মচাৰী

(C) অভিভাৱক

(D) বন্ধু-বান্ধৱ

(vi) ব্যক্তিৰ বিকাশৰ ক্ষেত্ৰত অন্য ব্যক্তিৰ __________ প্ৰভাৱৰ গুৰুত্ব কেতিয়াও কমি নাযায় । 1

(A) গুণৰ

(B) আদৰৰ

(C) দক্ষতাৰ

(D) প্ৰত্যক্ষ

(vii) 'উপলব্ধি' শব্দটোৰ শুদ্ধ উপসৰ্গ কোনটো ? 1

(A) অপ

(B) উপ

(C) প্ৰ

(D) উৎ

(viii) বিপৰীতাৰ্থক শব্দ লিখা – 1

জটিল –

(A) সৰল

(B) টান

(C) কোমল

(D) পাতল

(ix) 'পৃথিৱী' শব্দৰ এটা সমাৰ্থক শব্দ অনুচ্ছেদটোৰ পৰা বিচাৰি উলিওৱা – 1

(A) তপন

(B) জগত

(C) জলদ

(D) প্ৰকৃতি

(x) পৌৰাণিক যুগৰ শিক্ষকৰ দায়িত্ব আৰু আধুনিক যুগৰ শিক্ষকৰ দায়িত্বৰ মাজত কি প্ৰভেদ দেখা যায় ? 2

(xi) কেনে প্ৰচেষ্টাক শিক্ষকৰ প্ৰধান কৰ্তব্য বুলিব পাৰি ? 2

(xii) কিহৰ প্ৰয়োজন উপলব্ধি কৰি মানুহৰ শৈশৱ প্ৰকৃতিয়ে দীঘলীয়া কৰি ৰাখিছে ? 2

## SECTION B

**(লিখন ক'লা)** **(25 Marks)**

**2.** (a) তলত দিয়া সাংকেতিক বাক্যবোৰৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখা । (গল্পটোৰ শিৰোনাম আৰু নীতিশিক্ষা লিখিব লাগিব ।) *5*

দুজন বাটৰুৱা ________ আম এজোপাৰ তলত শুই আছিল ________ আম এটা কাষতে সৰি পৰিল ________ এজনে আনজনক আমটো বুটলি আনি তেওঁৰ মুখত দিবলৈ ক'লে ________ আনজনেও সেই একেটা কথাকে সিজনক ক'লে কোনো এজনেও কিন্তু লৰচৰ নকৰিলে ___________ সেইখিনি সময়তে ওচৰৰ বাটেৰে বাটৰুৱা এজন গৈ আছিল ________ দুয়োজনে আমটো বাটৰুৱাজনক বুটলি আনি দিবলৈ ক'লে বাটৰুৱাজনে আমটো বুটলি নিজৰ লগতে লৈ গুচি গ'ল ।

**নাইবা (OR)**

(b) তলত দিয়া যিকোনো এটাৰ বিষয়ে এখন ৰচনা লিখা —

(i) ছাত্ৰৰ কৰ্তব্য

(ii) পৰিশ্ৰমৰ মৰ্যাদা

**3.** 'কখগ' বিদ্যালয়ত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাখনৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । *5*

**4.** তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা — *5*

(i) খঙৰ পেট কাটি ছমাহলৈ শুকনি খোৱা ।

(ii) ইন্দ্ৰৰ সভাত ফেঁচাৰ কুৰুলি ।

**5.** (a) তোমাৰ অঞ্চলটোত দেখা দিয়া মেলেৰিয়া ৰোগ প্ৰতিৰোধৰ বাবে আশু-ব্যৱস্থা গ্ৰহণৰ অনুৰোধ কৰি স্বাস্থ্য বিভাগৰ মুখ্য বিষয়ালৈ এখন আবেদন পত্ৰ লিখা । *5*

**নাইবা (OR)**

(b) তোমাৰ পৰীক্ষাৰ পিছৰ সময়ছোৱা তুমি কিদৰে কটাবা সেই বিষয়ে জনাই দূৰৈত থকা তোমাৰ বন্ধুলৈ এখন চিঠি লিখা । (চিঠিত নাম-ঠিকনা সাংকেতিক আখৰত লিখিব লাগিব)

**6.** তলত দিয়া জতুৱা খণ্ডবাক্যকেইটাৰে একোটাকৈ বাক্য ৰচনা কৰা । (যিকোনো পাঁচটাৰ) *5×1=5*

(i) গাত ল

(ii) চকু চৰহা

(iii) ঘৰ গচকা

(iv) গা ৰাই-জাঁই কৰ

(v) চকুত ধূলি মাৰ

(vi) মুখ ওফোন্দা

## SECTION C

**(ব্যাকৰণ)** **(20 Marks)**

**7.** তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধিৰ ৰূপটো বাছি উলিয়াই লিখা — *4×1=4*

(i) দুৰ্নীতি —

(A) দুঃ+নীতি

(B) দুঃ+নিতি

(C) দু+নীতি

(D) দুৰ+নিতি

(ii) ইতস্ততঃ —

(A) ইতঃ+ততঃ

(B) ইতঃ+স্থত

(C) ইতঃ+স্তাত

(D) ইতঃ+তাপ

(iii) নাৱৰীয়া —

(A) নাৱ+অৰীয়া

(B) নাও+অৰীয়া

(C) নাৱ+ঈয়া

(D) নাও+ৰীয়া

(iv) পষেক —

(A) পষ+ইক

(B) পষঃ+এক

(C) পষে+এক

(D) পষ+এক

**8.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা — *2×1=2*

(i) 'সংকীর্ণ' শব্দটোত কি উপসর্গ যোগ হৈছে ?

(A) সু

(B) সং

(C) সম

(D) সংক

(ii) 'অৱচেতন' শব্দৰ উপসর্গ বাছি উলিওৱা –

(A) অৱ

(B) আ

(C) আও

(D) অ

**9.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা — *2×1=2*

(i) 'হঁক' অনুসর্গটো কি অর্থত ব্যৱহাৰ হৈছে ?

(A) অনিশ্চয়তা

(B) সন্দেহজনক

(C) দৃঢ়তা

(D) বহুবচনত অনুৰোধ অর্থত

(ii) তলৰ আঁচ টনা শব্দটোত কি অনুসৰ্গ যোগ হৈছে ?

বিদ্যুতেই পুথি পঢ়ক ।

(A) এই

(B) ই

(C) ৱেই

(D) এ

**10.** শুদ্ধ সমাৰ্থক শব্দটো বাছি উলিয়াই লিখা — *2×1=2*

(i) জোন —

(A) আদিত্য

(B) শশধৰ

(C) গগন

(D) মেঘ

(ii) হস্তী —

(A) মহীপাল

(B) অম্বুদ

(C) ত্ৰিযামা

(D) মাতংগ

**11.** বিপৰীত শব্দটো বাছি উলিয়াই লিখা — *2×1=2*

(i) উপস্থিত —

(A) অনুপযুক্ত

(B) অস্ত

(C) অনুপস্থিত

(D) প্ৰস্থান

(ii) বিস্তৃত —

(A) মন্থৰ

(B) সংকীৰ্ণ

(C) স্থূল

(D) সংক্ষিপ্ত

**12.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা — *4×1=4*

(i) ৰামে পিতৃসত্য পালন কৰিলে আৰু লক্ষ্মণ-সীতাৰ সৈতে বনলৈ গ'ল ।

(A) সৰল বাক্য

(B) যৌগিক বাক্য

(C) প্ৰশ্নবোধক বাক্য

(D) জটিল বাক্য

(ii) যদি পৰীক্ষাত প্ৰথম স্থান পোৱা, তেনেহ'লে ভাল উপহাৰ এটা পাবা —

(A) মিশ্ৰ বাক্য

(B) বৰ্ণনামূলক বাক্য

(C) সৰল বাক্য

(D) যৌগিক বাক্য

(iii) আমি গধূলি ফুৰিবলৈ যাম —

(A) যৌগিক বাক্য

(B) ভাববোধক বাক্য

(C) মিশ্ৰ বাক্য

(D) সৰল বাক্য

(iv) শিক্ষকৰ কথা শুনিবা নহ'লে বিপদত পৰিবা ।

(A) যৌগিক বাক্য

(B) সৰল বাক্য

(C) জটিল বাক্য

(D) বৰ্ণনাত্মক বাক্য

**13.** তলত দিয়া ক্ৰিয়াপদ দুটাৰ ধাতু নিৰ্ণয় কৰা — *2×1=2*

(i) কান্দিলে

(ii) ফুৰিছিল

**14.** (i) ক্ৰিয়াৰ সময় অনুসৰি কাল কেইপ্ৰকাৰৰ ? *2×1=2*

(ii) 'সূৰ্য পূবফালে উদয় হয়' – এই বাক্যটো বৰ্তমান কালৰ কোনটো ভাগৰ উদাহৰণ ?

## SECTION D

**(গদ্য ভাগ)** **(20 Marks)**

**15.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — *1×4=4*

(i) এজন উদ্যোগী হোৱা যিমান সহজ, সফল হোৱাটো কিন্তু সিমান সহজ নহয় । – কথাষাৰ পাঠৰ আধাৰত বুজাই লিখা ।

(ii) 'লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল ।' – কিহৰ লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছিল ? এই ৰূপান্তৰ কিদৰে ঘটিছিল পাঠৰ আধাৰত বুজাই লিখা ।

(iii) শিক্ষক-শিক্ষয়িত্ৰীসকলে কিয় অৰণ্য দৰ্শনৰ কাৰ্যসূচী বাতিল কৰিব খুজিছিল ? ইয়াৰ পিছৰ পৰিস্থিতি কি হ'ল বুজাই লিখা ।

**16.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা — *1×2=2*

(i) কাজিৰঙালৈ যাবলৈ ওলাওঁতে পাহি আৰু পলক মাকে কি উপদেশ দিছিল ?

(ii) প্ৰথম অৱস্থাত উদ্যোগীয়ে কি কৰিবলৈ সাজু থাকিব লাগিব ?

(iii) প্ৰাচীন কালৰ পৰা আমাৰ দেশ কিহৰ বাবে প্ৰসিদ্ধ আছিল ?

**17.** উত্তৰ লিখা — *4×1=4*

(i) 'হাতী আমাৰ কোনো দিনে শত্ৰু নাছিল।' – কথাষাৰ কোনে কৈছিল ?

(ii) এখন ঠাইৰ পৰা আন এখন ঠাইলৈ আহি বাস কৰা কাৰ্যক কি বোলে ?

(iii) কাৰ জৰিয়তে অসমত মৰাপাটৰ খেতিৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰতা লাভ হ'ল ?

(iv) মেনেজমেণ্ট শাস্ত্ৰৰ গুৰু কোন ?

## (পদ্য ভাগ)

**18.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — *1×4=4*

(i) 'সনক সনন্দ যোগী যাহাকু ধিয়ায়
সকল নিগমে যাক বিচাৰি নপায়।'
— তাৎপৰ্য বিচাৰ কৰা।

(ii) ব্যাখ্যা কৰা –
কৰি দীৰ্ণ জৰাজীৰ্ণ পুঞ্জীভূত ক্লেদ
শেষ হ'ল মহা কালৰাত্ৰি,
উঠা হে ঋত্বিক ধ্যানী অমৃতৰ পুত্ৰ
উঠা যত মুক্তি পথযাত্ৰী।

(iii) 'মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।'
— অন্তর্নিহিত ভাবটি বিশ্লেষণ কৰা।

**19.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা — *1×2=2*

(i) ব্ৰজাৱলী ভাষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ii) 'জিকিৰ' শব্দটো কোন ভাষাৰ ? ইয়াৰ অৰ্থ কি ?

(iii) কীচক বেণু মানে কি ? কীচক বেণুৱে কাৰ গান গাইছে ?

**20.** উত্তৰ লিখা — *4×1=4*

(i) কোনে আওৰাবলৈ নিওঁতে শংকৰদেৱৰ বৰগীতখিনি বনপোৰা জুয়ে পোৰে ?

(ii) মাধৱদেৱৰ যিকোনো এখন আখ্যানমূলক ৰচনাৰ নাম লিখা।

(iii) 'কুটুব' শব্দৰ অৰ্থ কি ?

(iv) 'বিহগী কবি' কোন ?